আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত News Next Oneৰ বিশেষ সংযোজন অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, MARCH 14, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৭৬ Guwahati, Assam ।। মূল্যঃ এটকা


## মিত্ৰতাত ফাঁট! বৰপেটাত প্ৰাৰ্থী ঘোষণা চিপিএমৰ

**ই-সংবাদ, ১৩ মাৰ্চঃ** কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটত থাকি গ'ল কংগ্ৰেছ, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদ। বাকীদলসমূহ এটা এটাকৈ আতৰি গ'ল। আপৰ পাছতে মিত্ৰতা এৰি নিজাকৈ প্ৰাৰ্থী ঘোষণা কৰিছে চিপিআইএমে। বাওঁ দলটোৱে শেষাংশ ৩ পৃষ্ঠাত



ভাৰ্চুৱেলি জাগীৰোডৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ আধাৰশিলা স্থাপন প্ৰধানমন্ত্ৰীৰ

## বিজেপিৰ কৰ্মী হৈ পৰিছে অসম আৰক্ষী! আছুৰ দাবী

**ই-সংবাদ, ১৩ মাৰ্চঃ** আছুৱে মঙলবাৰে সমগ্ৰ ৰাজ্যত জোঁৰ সমদল উলিয়াই 'কা'ৰ বিধি বলৱৎ কৰা কাণ্ডৰ বিৰোধিতা কৰি 'কা' মানি নোলোৱাৰ হুংকাৰ প্ৰদান কৰে। সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ আৰু কামৰূপ মহানগৰ ছাত্ৰ সন্থাৰ উদ্যোগত শেষাংশ ৩ পৃষ্ঠাত

■ ভাৰ্চুৱেলি আধাৰশিলা স্থাপন প্ৰধানমন্ত্ৰীৰ ■ প্ৰায় ২৭ হাজাৰ কোটি টকা বিনিয়োগ ■ আমেৰিকা-ইউৰোপলৈ ৰপ্তানি হ'ব চিপ ■ মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

# জাগীৰোডে পালে টাটাৰ অৰ্ধপৰিবাহী সমাৱিষ্টকৰণ কেন্দ্ৰ

**ই-সংবাদ, ১৩ মাৰ্চঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মৰিগাঁও জিলাৰ জাগীৰোডত টাটা ইলেক্ট্ৰ'নিকছৰ অৰ্ধপৰিবাহী সমাৱিষ্টকৰণ আৰু পৰীক্ষণ কেন্দ্ৰ (ছেমিকণ্ডাক্টৰ এছেম্বলী এণ্ড টেষ্ট ফেচিলিটী)ৰ আধাৰশিলা স্থাপন কৰে। জাগীৰোডত অনুষ্ঠিত বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেলি উদ্যোগটোৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উদ্যোগক এক মাইলৰ খুঁটি বুলি কয়। উত্তৰ-পূৰ্বক বছৰ বছৰ ধৰি পিছ পেলাই থোৱা হৈছিল আৰু আজি ভাৰতৰ এই অংশই নতুন শেষাংশ ৫ পৃষ্ঠাত

## বিজেপিৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ

**নতুন দিল্লী, ১৩ মাৰ্চঃ** শাসকীয় বিজেপি দলে লোকসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ দ্বিতীয় তালিকা আজি ঘোষণা কৰিছে। দ্বিতীয় তালিকাত ৭১টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম সন্নিৱিষ্ট কৰিছে। দ্বিতীয় তালিকাত বিজেপিয়ে কেন্দ্ৰীয় শেষাংশ ২ পৃষ্ঠাত


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


## ৰান্ধনিৰ কন্যাক সম্বৰ্ধনা মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ৰ

**নতুন দিল্লী, ১৩ মাৰ্চঃ** নাম অজয় কুমাৰ চামলে। কাম হৈছে ৰান্ধনি। উচ্চতম ন্যায়ালয়ৰ ৰান্ধনি হিচাপে কৰ্মৰত অজয় কুমাৰ চামলেক আজি দেশৰ মুখ্যমন্ত্ৰী ন্যায়াধীশে বিশেষ সন্মান প্ৰদান কৰে। অজয় কুমাৰ চামলৰ পৰিয়ালক উচ্চতম ন্যায়ালয়ৰ অতিথি কক্ষলৈ মাতি নি



অজয় কুমাৰ চামলেৰ লগতে পত্নী, কন্যাক সকলো ন্যায়াধীশৰ উপস্থিতিত ডিঙিত বস্ত্ৰ পিন্ধাই সন্মান যাচে মুখ্যমন্ত্ৰী ন্যায়াধীশ ডি.ৱাই চন্দ্ৰচূড়ে। প্ৰকৃততে অজয় কুমাৰ চামলে আজি কন্যা প্ৰজ্ঞা চামলৰ বাবে এদিনৰ বাবে ৰান্ধনি ঘৰ এৰি আহি ন্যায়াধীশসকলৰ সন্মান লাভ কৰিবলৈ সক্ষম শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...


# ৰান্ধনিৰ কন্যাক সম্বৰ্ধনা

হৈছে৷ কিয়নো অজয় কুমাৰ চামলে জীৱনৰ বেছি সময় ৰান্ধনি হিচাপে কাম কৰি কন্যাক ডাঙৰ মানুহ কৰাৰ প্ৰয়াস কৰি কন্যাক উচ্চ শিক্ষাৰে শিক্ষিত কৰে৷ কন্যা প্ৰজ্ঞা চামলৰ এগৰাকী অধিবক্তা আৰু পাছলৈ ন্যায়াধীশ হোৱাৰ মন৷ পিতৃৰ সপোন পূৰাবলৈ কন্যা প্ৰজ্ঞা চামলে সাধনা কৰিছিল আৰু সেই সাধনা সফল হোৱাৰ দিশে আগবাঢ়িছে৷ প্ৰজ্ঞা চামলে বিদেশত পঢ়িবলৈ যাবৰ বাবে সাজু হৈছে৷ কিছু দিনৰ ভিতৰত প্ৰজ্ঞা চামলে বিদেশলৈ উৰা মাৰিব৷ তাৰ পূৰ্বে প্ৰজ্ঞাৰ পৰিয়ালক আজি ন্যায়াধীশসকলৰ অতিথি কক্ষলৈ মাতি অনা হয়৷ মেধা প্ৰজ্ঞাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ দুখন পৃথক বিশ্ববিদ্যালয়ত আইনত স্নাতকোত্তৰ অধ্যয়ন কৰিবলৈ বৃত্তি লাভ কৰিছে৷ ভাৰতৰ মুখ্য ন্যায়াধীশ ডি.ৱাই চন্দ্ৰচুড় আৰু আন আন ন্যায়াধীশসকলে প্ৰজ্ঞাক সম্বৰ্ধনা জনায়৷ মুখ্য ন্যায়াধীশে সম্বৰ্ধনা জনোৱাৰ পিছতে প্ৰজ্ঞাক লৈ এতিয়া চলিছে ব্যাপক চৰ্চা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ দ্বিতীয়খন প্ৰাৰ্থী

শাসিত অঞ্চল দাদৰা আৰু নগৰ হাভেলিৰ পৰা এজন, দিল্লীৰ দুজন, গুজৰাটৰ সাতজন, হাৰিয়ানাৰ ছয়জন, হিমাচল প্ৰদেশৰ দুজন, কৰ্ণাটকৰ ২০ জন, মধ্য প্ৰদেশৰ পাঁচজন, মহাৰাষ্ট্ৰৰ ২০ জন, তেলেংগানাৰ ছয়জন, ত্ৰিপুৰাৰ এজন আৰু উত্তৰাখণ্ডৰ দুজন প্ৰাৰ্থী ঘোষণা কৰিছে। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক মহাৰাষ্ট্ৰৰ নাগপুৰ আসনত প্ৰাৰ্থীত্ব দিয়া হৈছে। গাডকাৰী বৰ্তমানেও নাগপুৰৰ সাংসদ। এদিন আগতে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰা মনোহৰ লাল খট্টৰক টিকট দিয়া হৈছে। খট্টৰে হাৰিয়ানাৰ কৰ্ণালত প্ৰতিদ্বন্দ্বিতা কৰিব। তালিকা অনুসৰি কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ আৰু পীযুষ গোৱেলে ক্ৰমে মুম্বাই উত্তৰ আৰু হামিৰপুৰত প্ৰতিদ্বন্দ্বিতা কৰিব। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কৰ্ণাটকৰ ধাৰৱাডত প্ৰতিদ্বন্দ্বিতা কৰিব। বিজেপিয়ে ২ মাৰ্চত ১৯৫ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছিল। এতিয়ালৈকে ২৬৭ খন আসনত প্ৰাৰ্থী ঘোষণা কৰিছে। দ্বিতীয় তালিকাত দক্ষিণৰ কৰ্ণাটকৰ ২৮ জন প্ৰাৰ্থীৰ ভিতৰত ২০ জনৰ নাম ঘোষণা কৰিছে। কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বাসবৰাজ বোম্মাই হাভেৰীৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। সমষ্টি ২০০৯ চনৰ পৰা বিজেপিৰ শিৱকুমাৰ উদাসীয়ে প্ৰতিনিধিত্ব কৰি আহিছে। বম্মাই বৰ্তমান শিগাওনৰ বিধায়ক। লগতে আন এগৰাকী প্ৰাক্তন মুখ্যমন্ত্ৰী য়েদিয়ুৰাপ্পাৰ বিৱাই ৰাঘৱেন্দ্ৰই চিমোগাত প্ৰতিদ্বন্দ্বিতা কৰিব৷ সদানন্দ গৌড়াৰ ঠাইত বাংগালুৰু উত্তৰৰ পৰা কেন্দ্ৰীয় মন্ত্ৰী শোভা কাৰান্দলাজেক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। বিজেপি সাংসদ তেজস্বী সূৰ্যই ২০২৪ চনৰ লোকসভা নিৰ্বাচনত পুনৰ বাংগালুৰুৰ দক্ষিণ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। কেন্দ্ৰীয় নেতা অশোক তানৱাৰক চিৰছাৰ পৰা টিকট দিয়া হৈছে। অশোক তানৱাৰে ২০০৯ চনৰ লোকসভা নিৰ্বাচনত কংগ্ৰেছৰ টিকটত এই আসনখন জিকিছিল। পিছত তেওঁ কংগ্ৰেছ ত্যাগ কৰে আৰু আম আদমী পাৰ্টিত যোগদান কৰে। তাৰ পিছত তেওঁ আম আদমী পাৰ্টি এৰি বিজেপিত উপস্থিত হৈছিল। বাণ্টো কাটাৰিয়াক আম্বালা আসনত প্ৰাৰ্থী কৰা হৈছে। বাণ্টো হৈছে ৰতন লাল কাটাৰিয়াৰ পত্নী৷ ২০১৯ চনৰ নিৰ্বাচনত জয়ী হৈছিল ২০১৩ চনত মৃত্যুবৰণ কৰে। বৰ্তমানৰ সাংসদ ভিৱানী-মহেন্দ্ৰগড়ত চৌধুৰী ধৰমবীৰ সিং, গুৰগাঁৱত চৌধুৰী ইন্দ্ৰজিৎ সিং যাদৱ আৰু ফৰিদাবাদ কৃষ্ণ পাল গুৰ্জাৰক প্ৰাৰ্থী কৰিছে৷ বিজেপিয়ে মধ্য প্ৰদেশৰ ২৯ খন লোকসভা আসনৰ ভিতৰত বাকী ৫ খন আসনৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে। বালাঘাটৰ ড০ ভাৰতী পৰধি, ছিন্দৱাৰাৰ বিবেক চাহু, উজ্জয়িনী অনিল ফিৰোজিয়া, ধাৰ সাবিত্ৰী ঠাকুৰ আৰু ইন্দোৰৰ শংকৰ লালৱানীক প্ৰাৰ্থী কৰিছে। দ্বিতীয় তালিকাত, ইন্দোৰৰ শংকৰ লালৱানী আৰু উজ্জয়িনীৰ অনিল ফিৰোজিয়াই পুনৰ টিকট লাভ কৰিছে। একে সময়তে, ধাৰৰ বৰ্তমানৰ সাংসদ ছত্ৰ সিং দৰবাৰ আৰু বালাঘাটৰ ধল সিং বিছেনক টিকট কৰ্তন কৰিছে বিজেপিয়ে। ২০১৯ চনৰ লোকসভা নিৰ্বাচনত ছিন্দৱাৰাৰ পৰা নাথান শ্বাহক টিকট দিয়া হৈছিল৷ নকুল নাথৰ হাতত পৰাজিত হৈছিল। বিজেপিয়ে মধ্য প্ৰদেশত ছয়গৰাকী মহিলা প্ৰাৰ্থীক লোকসভাৰ টিকট দিছে। উল্লেখ্য যে বিজেপিৰ এই তৎপৰতাৰ বিপৰীতে কংগ্ৰেছ তথা আন বিৰোধী দলসমূহ প্ৰাৰ্থী ঘোষণাৰ ক্ষেত্ৰত পিছপৰি ৰোৱা দেখা গৈছে।



ইউপিপিএল দলৰ মুখ্য কাৰ্যালয়ত কোকৰাঝাৰ সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰি ৰৌণগৌৰা নাৰ্জাৰীৰ সংবাদমেল

# বিজেপিৰ কৰ্মী হৈ পৰিছে

■ প্ৰথম পৃষ্ঠাৰ পৰা...

গুৱাহাটী মহানগৰীতো আছুৱে প্ৰতিবাদ সাব্যস্ত কৰিছিল। আছুৰ উজানবজাৰস্থিত শ্বহীদ ভৱনৰ পৰা জোঁৰ সমদল উলিয়াই। কেইবা হাজাৰ লোকে অংশগ্ৰহণ কৰা সমদলত আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা উপস্থিত আছিল। জোঁৰ লৈ সন্মুখত আছিল তিনিগৰাকী শীৰ্ষ নেতা। তেনে সময়তে অসম আৰক্ষীৰ এটা দলে আছুৰ সমদলকাৰীক বাধা দিয়ে। পথত বেৰিকেড লগাই বৃহৎ আৰক্ষীৰ দলে বাধা দিয়াত খণ্ডত অগ্নিশৰ্মা হয় আছুৰ তিনি মুখ্য নেতা। আৰক্ষীৰ দুগৰাকী উচ্চপদস্থ বিষয়াও উপস্থিত আছিল। আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মাই আৰক্ষীক উভতি ধৰে। ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্ই আৰক্ষীৰ দলটোক ৰঙা চকু দেখুৱাই শান্তিপূৰ্ণ আন্দোলনক আপোনালোকে বাধা দিব নোৱাৰে বুলি কয়। লগতে সভাপতি উৎপল শৰ্মাই কয় যে মানুহৰ মাজত চৰ্চা হ'ব ধৰিছে। হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীক দলীয় কৰ্মী হিচাপে ব্যৱহাৰ কৰিছে। আন্দোলন এটা হ'বলৈ নিদিয়ে। আপোনালোকৰ ভয়ত টায়াৰ দোকানীয়ে টায়াৰ বিক্ৰী কৰিব বাদ দিছে। পেট্ৰলৰ ডিপোত বটলত তেল বিক্ৰী কৰিব বাদ দিছে। ল'ৰা-ছোৱালীয়ে ফেচবুকত কিবা এটা লিখিলেই থানালৈ মাতি লৈ যায়। হায়াৰ ছেকেণ্ডাৰী পঢ়ি থকা ল'ৰাক থানালৈ মাতি নিছে। হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গণতন্ত্ৰ চলি আছে নে স্বৈৰতন্ত্ৰ চলি আছে। আমাৰ ওপৰত বাংলাদেশী জাপি দিব, ৫টাকৈ ল'ৰাক গুলীয়াও মাৰিব। আমাক আজি খোজকাঢ়ি যাবলৈও নিদিয়ে। এয়া ধিক্কাৰ আৰু গৰিহণাৰ যোগ্য। এইদৰে চৰকাৰ আৰু অসম আৰক্ষীক ওভতি ধৰে উৎপল শৰ্মাই।

# বৰপেটাত প্ৰাৰ্থী ঘোষণা

■ প্ৰথম পৃষ্ঠাৰ পৰা...

ৰাজ্যৰ এটা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰিছে। কংগ্ৰেছৰ সৈতে মিত্ৰতা ভংগ কৰি চিপিআইএম দলে বৰেপটা লোকসভা সমষ্টিত বিধায়ক মনোৰঞ্জন তালুকদাৰক প্ৰাৰ্থী ঘোষণা কৰে। প্ৰাৰ্থী ঘোষণা কৰি কংগ্ৰেছৰ বৰপেটা সমষ্টিৰ প্ৰাৰ্থীগৰাকীক প্ৰত্যাহাৰ কৰাৰ আহ্বান জনাই দলটোৱে। উল্লেখ্য যে, কংগ্ৰেছে বৰপেটা লোকসভা সমষ্টি চিপিআইএমক এৰি দিব বুলি চৰ্চা হৈ আহিছিল। কিন্তু মিত্ৰতাৰ ধৰ্ম নামানি কংগ্ৰেছে বৰপেটা লোকসভা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰাত নাৰাজ বামপন্থী দলটোৱে প্ৰাৰ্থী ঘোষণা কৰে। চিপিআইএমৰ সম্পাদক সুপ্ৰকাশ তালুকদাৰে বৰপেটা সমষ্টি এৰি দিম বুলি কংগ্ৰেছে কথা দিয়াৰ কথা উল্লেখ কৰে। কিন্তু অন্তিম মুহূৰ্ত কংগ্ৰেছে দলীয় প্ৰাৰ্থী ঘোষণা কৰাত ক্ষোভ জাহিৰ কৰে। প্ৰাৰ্থী ঘোষণা কৰি কংগ্ৰছক বিশেষ আহ্বান জনাই চিপিআইএমৰ সম্পাদক সুপ্ৰকাশ তালুকদাৰে। বৰপেটা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থীজন প্ৰত্যাহাৰৰ আহ্বান জনায়। সুপ্ৰকাশ তালুকদাৰে কয় যে বিজেপিক পৰাভূত আৰু গণ বিচ্ছিন্ন কৰাৰ উদ্দেশ্য বিৰোধী ঐক্যমঞ্চ গঠন হৈছিল। বিধানসভা নিৰ্বাচনৰ পৰা যৌথভাবে কাম কৰি আহিছিলো। কংগ্ৰেছৰ সৈতে কৰা দ্বিপাক্ষীক আলোচনাত বৰপেটা আৰু শিলচৰ আসন বিচাৰিছিলো। কিন্তু কংগ্ৰেছে বৰপেটা সমষ্টি দিয়াৰ কথা কৈছিল। ফলত আমি বৰপেটাত কাম আৰম্ভ কৰিছিলো। কিন্তু কংগ্ৰেছ দলে বৰপেটাত প্ৰাৰ্থী ঘোষণা কৰিছে। চিপিআইএম দলে বাকী লোকসভা সমষ্টিত বিজেপি বিৰোধী প্ৰাৰ্থীক সহযোগিতা কৰাৰো আশ্বাস দিয়ে। উল্লেখ্য যে, ২০২১ চনৰ বিধানসভাৰ নিৰ্বাচনৰ পাছতে অসমত কংগ্ৰেছৰ নেতৃত্বত বিৰোধী ঐক্যমঞ্চ গঠন হৈছিল। সৰু সৰু দলক লৈ গঠিত বিৰোধী ঐক্যমঞ্চত ১৬টা দল চামিল হৈছিল। কিন্তু লোকসভা নিৰ্বাচনৰ পূৰ্বে মিত্ৰতা বুমেৰাং হৈ পৰিল। আসন বুজাবুজিক লৈ ঐক্যমঞ্চৰ মাজত ফাঁট মেলে। ফলত এতিয়া দেখা গৈছে যে ইটোৰ পাছত সিটো দলে বিৰোধী ঐক্যমঞ্চ এৰিবলৈ আৰম্ভ কৰিছে।

# ভাৰতীয়ক নিবনুৱা কৰি ৰখা বিজেপিয়ে বিদেশী লোকক আনি চাকৰি দিব!

## 'কা'ৰ বিৰুদ্ধে আকৌ সৰৱ অৰবিন্দ কেজৰিৱাল

**নতুন দিল্লী, ১৩ মাৰ্চঃ** 'কা'ৰ বিধি বলৱৎ কৰাৰ পাছতে আজি পুনৰ কেন্দ্ৰীয় চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লৈছে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে। অৰিবন্দ কেজৰিৱালে নিজ দেশৰ মানুহক সংস্থাপন, ঘৰ, খাদ্য দিব পৰা নাই চুবুৰীয়া দেশৰ মানুহক আনি ক'ত সংস্থাপন দিব, খাবলৈ কি দিব কৈ মোদী চৰকাৰক উভতি ধৰিছে। অৰবিন্দ কেজৰিৱালে আজি দিল্লীত সংবাদমেল সম্বোধন কৰি কয় যে চি.এ.এ আইন ৰূপায়ণৰ লগে লগে পাকিস্তান আৰু বাংলাদেশৰ পৰা বৃহৎ সংখ্যক লোক আহি আমাৰ দেশত বসতি স্থাপন কৰিব। তেওঁলোকক ক'ত সংস্থাপিত কৰা হ'ব? পাকিস্তানৰ মানুহে আপোনাৰ ঘৰৰ সন্মুখত শান্তিত থাকিব নে? আপুনি সুৰক্ষিত অনুভৱ কৰিব নে? আইন-শৃংখলা ধ্বংস হ'ব। এই লোকসকল কোন? দেশৰ নিৰাপত্তা কি হ'ব? কেন্দ্ৰক তীব্ৰ সমালোচনা কৰি অৰবিন্দ কেজৰিৱালে আৰু কয় যে এই পদক্ষেপৰ লক্ষ্য হৈছে কেৱল লোকসভা নিৰ্বাচন। ভোট বেংকৰ ৰাজনীতি। চৰকাৰে ১১ মাৰ্চত নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী কৰিছে। ৩১ ডিচেম্বৰ, ২০১৪ চনৰ আগতে ভাৰতলৈ অহা পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানৰ পৰা অনথিভুক্ত অ-মুছলমান প্ৰব্ৰজনকাৰীক নাগৰিকত্ব দিবলৈ দ্ৰুত গতিত নিয়ম অৱগত কৰিছে। এতিয়া, তিনিখন দেশৰ নিৰ্যাতিত অ-মুছলমান প্ৰব্ৰজনকাৰী হিন্দু, শিখ, জৈন, বৌদ্ধ, পাৰ্চী আৰু খ্ৰীষ্টানসকলক চি.এ.এৰ অধীনত ভাৰতীয় ৰাষ্ট্ৰীয়তা প্ৰদান কৰা হ'ব। অৰ্থ হৈছে যে বৃহৎ সংখ্যক সংখ্যালঘুক আমাৰ দেশলৈ অনা। তেওঁলোকক চাকৰি দিয়া হ'ব আৰু তেওঁলোকৰ বাবে ঘৰ নিৰ্মাণ কৰা হ'ব। কেজৰিৱালে আনকি ভাৰতৰ যুৱ সমাজৰ বাবে সংস্থাপন সৃষ্টি কৰিব নোৱাৰাত বিজেপিক সমালোচনা কৰে। বিজেপিয়ে আমাৰ সন্তানক চাকৰি প্ৰদান কৰিব নোৱাৰিলে। কিন্তু তেওঁলোকে পাকিস্তানৰ যুৱক চাকৰি দিব বিচাৰে। আমাৰ লোক আজি গৃহহীন। কিন্তু বিজেপিয়ে পাকিস্তানৰ লোকসকলক আনি বসতি স্থাপন কৰাব বিচাৰে। তেওঁলোকে আমাৰ চাকৰি পাকিস্তানীৰ সন্তানক দিব বিচাৰে। তেওঁলোকে পাকিস্তানীক আমাৰ ঘৰত বসতি স্থাপন কৰিব বিচাৰে। ভাৰত চৰকাৰৰ ধন আমাৰ পৰিয়ালৰ। সেই ধন দেশৰ উন্নয়নৰ বাবে ব্যৱহাৰ কৰিব লাগে। কিন্তু সেই ধন পাকিস্তানীসকলৰ বসতি স্থাপনৰ বাবে ব্যৱহাৰ কৰা হ'ব।

# বিধায়ক জয়ন্ত বসুমতাৰীক কোকৰাঝাৰত ইউপিপিএলৰ প্ৰাৰ্থী ঘোষণা

**ই-সংবাদ, কোকৰাঝাৰ, ১৩ মাৰ্চঃ** অৱশেষত বহু জল্পনা-কল্পনাৰ অন্তত আজি ইউপিপিএল দলে কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে নিজ দলৰ প্ৰাৰ্থী ঘোষণা কৰে। কোকৰাঝাৰস্থিত ইউপিপিএল দলৰ মুখ্য কাৰ্যালয়ত দলৰ কাৰ্যকাৰী সভাপতি তথা ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰীয়ে আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে কোকৰাঝাৰ সমষ্টিৰ বাবে চিদলী-চিৰাং সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীৰ নাম ঘোষণা কৰে। উল্লেখ্য যে জয়ন্ত বসুমতাৰী যোৱা বিধানসভা নিৰ্বাচনত ইউপিপিএল দলৰ পৰা ৩১ নং চিদলী সমষ্টিৰ পৰা নিৰ্বাচন খেলি বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। বিধায়ক হোৱাৰ পূৰ্বে জয়ন্ত বসুমতাৰী এবছুৰ কেন্দ্ৰীয় উপসভাপতি আছিল। বিধানসভা নিৰ্বাচনৰ পূৰ্বে এবছুৰ পৰা পদত্যাগ কৰি নিৰ্বাচন খেলি বিধায়ক হোৱাৰ পিছত এইবাৰ লোকসভা নিৰ্বাচনৰ বাবে ইউপিপিএল দলে জয়ন্ত বসুমতাৰীক কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰে। আজি ইউপিপিএল দলৰ মুখ্য কাৰ্যালয়ত ৰাজ্যসভাৰ সাংসদ তথা ইউপিপিএল দলৰ কাৰ্যকাৰী সভাপতি ৰৌণগৌৰা নাৰ্জাৰীয়ে সংবাদমেলযোগে জয়ন্ত বসুমতাৰীৰ নাম প্ৰাৰ্থী হিচাপে ঘোষণা কৰাৰ লগতে দৰং-ওদালগুৰি সমষ্টিত বিজেপি দলৰ প্ৰাৰ্থীক সমৰ্থন জনাব বুলি ঘোষণা কৰে। ইপিনে এক বিশেষ সূত্ৰে জানিব পৰা মতে ইউপিপিএল দলৰ সাধাৰণ সম্পাদক (প্ৰশাসনিক) ৰাজু কুমাৰ নাৰ্জাৰী টিকটৰ পৰা বঞ্চিত হোৱাত পদত্যাগ বিচাৰি ইউপিপিএল দললৈ পদত্যাগপত্ৰ প্ৰেৰণ কৰিছে। উল্লেখ্য যে ৰাজু কুমাৰ নাৰ্জাৰী কোকৰাঝাৰ লোকসভা সমষ্টিৰ পৰা ইউপিপিএলৰ প্ৰাৰ্থী হিচাপে প্ৰবল দাবীদাৰ আছিল। ৰাজু কুমাৰ নাৰ্জাৰীয়ে টিকট লাভ কৰিব বুলি চৰ্চিত হৈ আহিছিল যদিও শেষ মুহূৰ্তত বিধায়ক জয়ন্ত বসুমতাৰী হে ইউপিপিএল দলৰ টিকট লাভ কৰে। ৰাজু কুমাৰ নাৰ্জাৰী টিকট লাভৰ পৰা বঞ্চিত হোৱাত ৰাজু কুমাৰ নাৰ্জাৰীৰ সমৰ্থকসকল স্বাভাৱিকতে অসন্তুষ্টি প্ৰকাশ কৰিছে। আনহাতে ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰীও চিৰাং জিলাৰ আৰু লোকসভাৰ প্ৰাৰ্থীগৰাকীও চিৰাং জিলাৰ হোৱাত সমৰ্থকসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজি প্ৰাৰ্থী ঘোষণা কৰা সংবাদমেলত বিধায়ক লৰেঞ্চ ইছলাৰী, ইউপিপিএলৰ সাধাৰণ সম্পাদক(কাৰ্যালয়) মাধৱ ছেত্ৰী আদিকে কৰি দলৰ নেতৃবৰ্গ উপস্থিত আছিল।




# ওদালগুৰিত বীৰ লাচিত সেনাৰ 'কা' বিৰোধী প্ৰতিবাদ

**ই-সংবাদ, ওদালগুৰি, ১৩ মাৰ্চঃ** ৰাজ্যজুৰি কা' বিৰোধী আন্দোলন চলি থকাৰ মাজতে আজি ওদালগুৰিত বীৰ লাচিত সেনাৰ ওদালগুৰি জিলা সমিতিয়ে এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৱে জিলা কাৰ্যালয়ৰ পৰা ওদালগুৰিৰ শ্বহীদ বেদীলৈ এক সমদলেৰে প্ৰতিবাদ সাব্যস্ত কৰিব বিচাৰিছিল। কিন্তু পূৰ্বৰ পৰাই খাপ প্ৰতিবাদস্থলীত উপস্থিত থকা আৰক্ষীয়ে সংগঠনটোক ৰাজপথত নমাত বাধা প্ৰয়োগ কৰে। ইয়াৰ পাছতেই সংগঠনটোৱে প্ৰথমাৱস্থাত জিলা কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ আৰম্ভ কৰে। হাতে হাতে জোঁৰ লৈ, ক'লা পতাকা লৈ প্ৰতিবাদকাৰীসকলে "কা' আমি নামানো, অসম চৰকাৰ হায় হায়, হিমন্ত বিশ্ব হায় হায়, কেন্দ্ৰীয় চৰকাৰ মুৰ্দাবাদ" ইত্যাদি শ্লোগান প্ৰদানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ইয়াৰ পাছত ঘটনাস্থলীত উপস্থিত আৰক্ষীয়ে প্ৰতিবাদ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। প্ৰতিবাদস্থলীত উপস্থিত থাকি বীৰ লাচিত সেনাৰ ওদালগুৰি জিলা সমিতিৰ মূখ্য সচিব গুণেশ্বৰ ৰায়ে সংবাদ মাধ্যমৰ সন্মুখত কয় যে "যিখন আইন দেশৰ অন্য ৰাজ্যৰ বাবে বেয়া হ'ব পাৰে সেই একেখন আইন অসমৰ ক্ষেত্ৰত কেনেদৰে ভাল হব পাৰে? যদিহে অসমত বাংলাদেশী আনিব বিচাৰিছে, তেন্তে হিমন্ত বিশ্ব শৰ্মাই নিজৰ মাটিত সংস্থাপন দিয়ক। কা' আইনে আমাৰ জাতি-মাটি-ভাষা নাইকীয়া হৈ যাব। অসমবাসী, বীৰ লাচিত সেনাই কেতিয়াও বিদেশীৰ তলত নাথাকে।" ইফালে আৰক্ষীক উদ্দেশ্যি ৰায়ে কয় যে "আৰক্ষীয়ে আৰক্ষীৰ কাম কৰি আছে আৰু আমি আমাৰ কাম কৰি আছো। ইতিমধ্যে আমি তিনিদিন ধাৰাবাহিকভাৱে কা'ৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিলো। আগন্তুক দিনত কা' বাতিল নোহোৱা পৰ্যন্ত আমাৰ ধাৰাবাহিক আন্দোলন অব্যাহত থাকিব। বীৰ লাচিত সেনাই আৰক্ষীৰ ভয়ত আন্দোলন নকৰাকৈ বহি নাথাকে।" আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত ওদালগুৰি জিলা বীৰ লাচিত সেনাৰ সভাপতি ভাস্কৰ দাস, উপসভাপতি গৌতম দাসৰ লগতে জিলাখনৰ কেইবাখনো আঞ্চলিক সমিতিৰ পৰা প্ৰায় দুই শতাধিক বীৰ লাচিত সেনাৰ কৰ্মকৰ্তা উপস্থিত থাকে।

## আছুৰ পিছত 'কা'ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয় পালে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ

**নতুন দিল্লী, ১৩ মাৰ্চঃ** এইবাৰ দেশৰ শীৰ্ষ আদালতৰ কাষ চাপিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতি। জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাই আৰু সাধাৰণ সম্পাদক ৰাতুল বৰগোহাঁয়ে আজি দিল্লীত উপস্থিত হৈ উচ্চতম ন্যায়ালয়ৰ অধিবক্তাক সাক্ষাৎ কৰে। অধিবক্তাৰ সৈতে দীৰ্ঘ সময় আলোচনাত মিলিত হৈ কেন্দ্ৰীয় চৰকাৰে বলবৎ কৰা 'কা'ৰ বিধি স্থগিতাদেশ বিচাৰি আৰ্জি দিয়াৰ সিদ্ধান্ত লয় সংগদঠনটোৱে। সভাপতি পলাশ চাংমাই কয় যে 'কা'ৰ বিধিৰ স্থগিতাদেশ বিচাৰি উচ্চতম ন্যায়ালয়ত আৰ্জি দিয়া হৈছে। আমি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে ৰাজপথৰ আন্দোলনৰ সমানে ন্যায়িক যুঁজ অব্যাহত ৰাখিম। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ স্থিতি স্পষ্ট। আমি 'কা' আমি নামানো। কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলীক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছো বুলিও কয় চাংমাই।

# জাগীৰোডে পালে টাটাৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

নতুন গতি লাভ কৰিছে বুলি দোহাৰে প্ৰধানমন্ত্ৰীয়ে। কেন্দ্ৰীয় ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰ আৰু টাটা ছনছৰ অধ্যক্ষ এন চন্দ্ৰশেখৰনে অনুষ্ঠানত অংশ লয়। জাগীৰোডত টাটা ইলেক্ট্ৰনিকছে ২৭ হাজাৰ কোটি টকা বিনিয়োগ কৰি 'ছেমিকণ্ডাক্টৰ এছেম্বলী এণ্ড টেষ্ট ফেচিলিটী' স্থাপন কৰিব। পূৰ্বৰ কাগজ কলৰ সম্পত্তি টাটাই ব্যৱহাৰ কৰিব। পূৰ্বে অসম চৰকাৰ আৰু টাটাই চুক্তি স্বাক্ষৰ কৰিছিল। ২০১৪ চনৰ নিৰ্বাচনৰ পূৰ্বে বিজেপি দলে অসমৰ কাগজকলক পুনৰ উজ্জীৱিত কৰাৰ প্ৰতিশ্ৰুতি দিছিল যদিও এতিয়া সেই কাগজ কল বন্ধ কৰি সেই ভূমি ব্যক্তিগত খণ্ডক গটাই উদ্যোগ স্থাপনৰ অনুমতি দিছে। ইপিনে এই উদ্যোগক লৈ নৱ প্ৰজন্মক আশাবাদী হোৱা দেখা গৈছে। ঔদ্যোগিক ক্ষেত্ৰত অসমে আগশাৰীৰ ৰাজ্য হোৱাৰ অগ্ৰগামী যাত্ৰাত মাইলৰ খুঁটি হ'ব পাৰে। ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটোত ঐতিহাসিক দিন বুলি অভিহিত কৰে। অসমত এই বৃহৎ বিনিয়োগৰ বাবে প্ৰধানমন্ত্ৰী আৰু বিনিয়োগকাৰী টাটা গোট আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। ভাৰতৰ ভিতৰত অসম হৈছে দূৰৱৰ্তী এলেকা। কিন্তু অসমত ২৭ হাজাৰ কোটি বিনিয়োগ কৰা হৈছে আৰু ৩০ হাজাৰ নিবনুৱাই সংস্থাপন লাভ কৰিব। নৰেন্দ্ৰ মোদীৰ আৰ্শীবাদত এই উদ্যোগ আৰম্ভ হৈছে। নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ পদক্ষেপক ধন্যবাদ জ্ঞাপন কৰিছে। ইয়াৰ দ্বাৰা অসমত এক জাগৰণ আৰম্ভ হ'ব বুলিও দাবী কৰে মুখ্যমন্ত্ৰীয়ে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে জাগিৰোডত স্থাপিত টাটাৰ চেমিকণ্ডাক্টৰ সামগ্ৰী আমেৰিকা, ইউৰোপ আৰু জাপানৰ দৰে মুখ্য ৰাষ্ট্ৰসমূহলৈ ৰপ্তানি হ'ব বুলি দাবী কৰিছে। মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে আজি অসমৰ জাগীৰোডত টাটাৰ ছেমিকণ্ডাক্টৰ এচেম্বল এই খণ্ডৰ উদ্যোগৰ বাবে এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে। শক্তি ব্যৱস্থাপনাত বিশেষ চিপ প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব দিব। যি চিপ ইলেক্ট্ৰনিক সঁজুলি যেনে মোবাইল ফোন, লেপটপ আৰু অটোমোবাইলৰ বাবে গুৰুত্বপূৰ্ণ। এই চিপবোৰ গৌৰৱেৰে ভাৰতত তৈয়াৰ কৰা হ'ব আৰু আমেৰিকা যুক্তৰাজ্য, ইউৰোপ আৰু জাপানৰ দৰে মুখ্য বজাৰলৈ ৰপ্তানি কৰা হ'ব। ইপিনে আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ বেটকুছিৰ এটিপিঅ' পৰিসৰত একতা মলৰ ভূমি পূজন কৰে। ২৯৮ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া এই শ্বপিং মলৰ জৰিয়তে অসমৰ থলুৱা হস্ত নিৰ্মিত আৰু জি আই টেগযুক্ত সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰী কৰা হ'ব। অসমৰ নিৰ্ধাৰিত এলেকা আৰু ভাৰতৰ সকলো ৰাজ্যৰ বাবে এই মলটোত বিপণীৰ ব্যৱস্থা থাকিব বুলি জানিব পৰা গৈছে। এই মলত মেড-ইন-ইণ্ডিয়াৰ সামগ্ৰী প্ৰদৰ্শনৰ লগতে প্ৰেক্ষাগৃহ, এম্ফি থিয়েটাৰ, যোগ আৰু ধ্যান কেন্দ্ৰও থাকিব।




## লাগিল মোহৰ

# বিহাৰত বিজেপি-লোক জনশক্তিৰ মিত্ৰতা সম্পন্ন

**ই-সংবাদ, ১৩ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে এন ডি এৰ শক্তি বৃদ্ধিত ব্যস্ত হৈ পৰিছে বিজেপি। ইয়াৰেই অংশস্বৰূপে অৱশেষত বিহাৰত সম্পন্ন হ'ল বিজেপি-লোক জনশক্তি পাৰ্টিৰ মিত্ৰতা। সূত্ৰ অনুসৰি, বিহাৰত আসনৰ বুজাবুজি সম্পন্ন কৰি বিজেপিয়ে এল জে পিৰ কোটাৰ ৫ খন আসন চিৰাগ পাছৱানক দিবলৈ সন্মত হৈছে। খবৰ অনুসৰি, এইবাৰ হাজীপুৰ লোকসভা আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে এল জে পিৰ মুৰব্বী খোদ চিৰাগ পাছৱানে। আনফালে তেওঁৰ খুড়াক পশুপতি পৰসক ৰাজ্যপাল হিচাপে নিয়োগ কৰিব পাৰে বিজেপিয়ে। সূত্ৰৰ পৰা জানিব পৰা মতে, চিৰাগ পাছৱানৰ সম্পৰ্কীয় ভাতৃ প্ৰিন্সক বিহাৰত মন্ত্ৰী হিচাপে দায়িত্ব প্ৰদান কৰাৰো প্ৰস্তাৱ দিয়া হৈছে। এই চুক্তিৰ পিছত খুৰাক পশুপতি পৰস আৰু ভতিজা চিৰাগ পাছৱানৰ দল একত্ৰিত হ'ব। ইয়াৰ পিছত চিৰাগ পাছৱানে পুনৰ লাভ কৰিব পাৰে এলজেপিৰ পুৰণি নিৰ্বাচনী প্ৰতীক। উল্লেখ্য যে, বিজেপিয়ে দীৰ্ঘ সময়ৰ পৰাই বিহাৰত চিৰাগ পাছৱানৰ সমৰ্থন লাভৰ প্ৰয়াস চলাই আহিছিল। বুধবাৰে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাক সাক্ষাৎ কৰি আসন সন্দৰ্ভত চুক্তি চূড়ান্ত কৰা হ'ব বুলি ঘোষণা কৰে চিৰাগ পাছৱানে। তেওঁ কয় যে আসনৰ ভাগ-বতৰা চূড়ান্ত কৰা হৈছে আৰু উপযুক্ত সময়ত অৱগত কৰা হ'ব। প্ৰণিধানযোগ্য যে, ২০২১ চনত ৰামবিলাস পাছৱানৰ মৃত্যুৰ পিছত তেওঁৰ লোক জনশক্তি পাৰ্টি দুটা ভাগত বিভক্ত হৈছিল। ইয়াৰ এটা ফৈদ 'ৰাষ্ট্ৰীয় লোক জনশক্তি পাৰ্টি' তেওঁৰ ভাতৃ পশুপতি কুমাৰ পৰসৰ সৈতে, আনটো ফৈদ তেওঁৰ পুত্ৰ চিৰাগ পাছৱানৰ হাতলৈ গৈছিল। এন ডি এৰ সৈতে অংশীদাৰিত্বৰে ২০১৯ চনৰ লোকসভা নিৰ্বাচনত লোক জনশক্তি পাৰ্টিয়ে ৬খন আসন লাভ কৰিছিল। এই ৬ খন আসনত আটাইকেইখন আসনত জয়লাভ কৰিছিল এলজেপিয়ে। দলত বিভাজনৰ পিছত পশুপতি পৰসৰ লগতে এল জে পিৰ ৫জন সাংসদ আছে। ইফালে চিৰাগ পাছৱান জামুই আসনৰ পৰা সাংসদ। অৱশ্যে চিৰাগ পাছৱানে এতিয়াও তেওঁৰ ফৈদ এলজেপি(আৰ)ক ৰামবিলাস পাছৱানৰ মূল দল বুলি আখ্যা দিয়ে। মন কৰিবলগীয়া যে, চিৰাগ পাছৱানে ২০২০ চনৰ বিহাৰ বিধানসভা নিৰ্বাচনত কোনো মিত্ৰতা নোহোৱাকৈ লোক জনশক্তি পাৰ্টিক প্ৰক্ষেপ কৰিছিল। সেই নিৰ্বাচনত দলটোৱে মাত্ৰ এখন আসনত জয় লাভ কৰিছিল।

# কংগ্ৰেছৰ ভিতৰত আছে মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ এগৰাকী নেতা

## আব্দুল খালেকৰ বিস্ফোৰণ

**ই-সংবাদ, ১৩ মাৰ্চঃ** প্ৰদেশ কংগ্ৰেছৰ ভিতৰত আছে মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ এগৰাকী প্ৰভাৱশালী নেতা! শেহতীয়াকৈ কংগ্ৰেছে অসমৰ ১৩ খন আসনৰ বাবে ঘোষণা কৰা প্ৰাৰ্থী তালিকাৰ পৰা বঞ্চিত হোৱাৰ পিছতে এই বিস্ফোৰক অভিযোগ কৰে সাংসদ আব্দুল খালেকে। উল্লেখ্য যে, প্ৰদেশ কংগ্ৰেছৰ বহু কেইগৰাকী প্ৰভাৱশালী নেতাই বিজেপি আৰু মুখ্যমন্ত্ৰীৰ সৈতে ঘনিষ্ঠতা বজাই ৰাখি অহাৰ দাবী উত্থাপন কৰি আহিছে খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যসভাৰ নিৰ্বাচনৰ ক্ৰছ ভোটিঙৰ লগতে শেহতীয়াকৈ অসম প্ৰদেশৰ শীৰ্ষ কেইবাজনো নেতাৰ বিজেপি গমনে প্ৰমাণো কৰি আহিছে বিজেপিৰ সৈতে কংগ্ৰেছৰ ঘনিষ্ঠতা। আৰু এনে সময়তে লোকসভা নিৰ্বাচনৰ টিকটৰ পৰা বঞ্চিত হৈ সাংসদ আব্দুল খালেকে কৰা মন্তব্যই পুনৰ এবাৰ সৃষ্টি কৰিছে প্ৰতিক্ৰিয়াৰ। সাংসদ আব্দুল খালেকে কয় যে কংগ্ৰেছৰ সেইগৰাকী বিয়াগোম নেতাই তেওঁৰ বিৰুদ্ধে ৰাজহুৱাকৈ অপপ্ৰচাৰ চলাই অহাৰ পিছতো কিন্তু দলৰ নেতৃত্বই নেতাগৰাকীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। সাংসদগৰাকীয়ে কয়, 'নিয়ম সকলোৰে বাবে একে হ'ব লাগে।' ইফালে কংগ্ৰেছ নেতৃত্বই তেওঁতকৈ ভাল প্ৰাৰ্থী পাইছে বাবেই তেওঁক টিকটৰ পৰা বঞ্চিত কৰাৰ সম্ভাৱনা ব্যক্ত কৰি খালেকে কয়, 'মই দলক কৈছিলো যে মোক য'তে প্ৰাৰ্থিত্ব দিলেও আপত্তি নাই।



গুৱাহাটীৰ বেটকুছিক নিৰ্মাণ হ'বলগীয়া এটিপিঅ' পৰিসৰত একতা মলৰ ভূমি পূজন


# লোকসভা নিৰ্বাচনঃ অৰুণাচলত বিজেপিৰ প্ৰাৰ্থিত্বৰ তালিকা প্ৰকাশ

**ই-সংবাদ, ১৩ মাৰ্চঃ**২০২৪ৰ লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে অনুষ্ঠিত হ'বলগীয়া অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ বাবেও সাজু হৈছে বিজেপি। আজি দলটোৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে ঘোষণা কৰে উত্তৰ-পূৱৰ ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ নামৰ তালিকা। আজি বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ৰাজনাথ সিং, অমিত শ্বাহকে বিজেপিৰ আন নেতাসকলৰ উপস্থিতিত চূড়ান্ত কৰা হয় প্ৰাৰ্থীৰ নাম। উল্লেখ্য যে, এইবাৰ অৰুণাচল প্ৰদেশত বৰ্তমানৰ কেইবাগৰাকীও মন্ত্ৰী-বিধায়কৰ টিকট কৰ্তন কৰিছে বিজেপিয়ে। ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনত এইবাৰ নিয়াপিনৰ পৰা টিকট হেৰুৱাইছে গৃহমন্ত্ৰী বামাং ফেলিক্সেও।সমান্তৰালভাৱে পেমা খাণ্ডু চৰকাৰৰ বৰ্তমান কৃষি মন্ত্ৰী তাগে টাকিকো জিৰ'ৰ বিধানসভা সমষ্টিৰ টিকটৰ পৰা বঞ্চিত কৰা হৈছে। ইফালে লোকসভা নিৰ্বাচনৰ পূৰ্বে অনুষ্ঠিত হোৱাৰ সম্ভাৱনা থকা অৰুণাচলৰ বিধানসভা নিৰ্বাচনত এইবাৰ মুক্ত (এছটি)ৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে। একেদৰে চৌখাম (এছটি)ৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব উপ-মুখ্যমন্ত্ৰী চৌনা মেইনে। প্ৰণিধানযোগ্য, ৬০ খন বিধানসভাৰ আসন থকা অৰুণাচল প্ৰদেশত যোৱা নিৰ্বাচনত ৪১ খন আসন জয়লাভ কৰিবলৈ সক্ষম হৈছিল বিজেপিয়ে। ২০১৯ত অনুষ্ঠিত ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনত জনতা দল (ইউনাইটেড)য়ে ৭ খন, এন পি পিয়ে ৫ খন, কংগ্ৰেছে ৪ খনত, পিপিএয়ে ১ খন আসনত আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে দুখন আসনত জয়লাভ কৰিবলৈ সক্ষম হৈছিল।

## মৰণোত্তৰ দেহদানেৰে সমাজক দেখুৱাই গ'ল দৃষ্টান্ত

# 'জাতিৰ অস্তিত্ব সংকট'ত বুলি কৈ কৰুণ মনেৰে গ'লগৈ সাহিত্যিক অৰুণ গোস্বামী





**ই-সংবাদ, ১৩ মাৰ্চঃ** 'বিশিষ্ট সাহিত্যিক, সমালোচক, জাতীয়তাবাদী অৰুণ গোস্বামীৰ মঙলবাৰে নিশা ১০ বজাত দেহাৱসান ঘটে। ঔপন্যাসিক, স্তম্ভ লেখক, ৰাজনৈতিক বিশ্লেষক গোস্বামীয়ে যোৰহাটৰ খ্ৰীষ্টান হাস্পতালত ৮২ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে৷ বিগত কেইটামান সপ্তাহ ধৰি হাস্পতালতখনত চিকিৎসাধীন হৈ আছিল আৰু বাৰ্ধক্যজনিত কাৰণতে শেষ নিশ্বাস ত্যাগ কৰা বুলি জানিব পৰা গৈছে৷ বুধবাৰে অৰুণ গোস্বামীক দেহদান কৰা হয়৷ মৃত্যুৰ পূৰ্বেই দেহদান কৰাৰ ঘোষণা কৰি গৈছিল৷ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰতি আগ্ৰহী গোস্বামীয়ে ধৰ্মীয় কট্টৰতাক কেতিয়াও প্ৰশ্ৰয় দিয়া নাছিল৷ জাতিৰ নামত বৈষম্য, বৰ্ণবাদৰ বিৰুদ্ধে লিখা-মেলা কৰি গৈছিল৷ তেখেতৰ কেইবাখনো গ্ৰন্থ সমাজত ব্যাপকভাৱে চৰ্চিত আছিল৷ 'মাছমৰীয়া ছোৱালীৰ লাজ' নামৰ গ্ৰন্থখনে ব্যাপক সমাদৰ লাভ কৰিছিল৷ মনোগ্ৰাহী আৰু চিন্তাশীল সৃষ্টিৰ বাবে অৰুণ গোস্বামীৰ মৃত্যুত ৰাজ্যত শোকৰ ছাঁ পৰিছে। কৰা অৰুণ গোস্বামীয়ে গোলাঘাট জিলাৰ দেৰগাঁৱৰ সন্তান আছিল অৰুণ গোস্বামী৷ দেৰগাঁৱতে ওৰে জীৱন কটাই জাতিটোক বাট দেখুৱাই গৈছিল৷ ই-মেইল, হোৱাটছএপৰ ব্যৱস্থা নথকাৰ সময়ত বহু কষ্টৰে গুৱাহাটীস্থিত বিভিন্ন সংবাদ পত্ৰ, আলোচনী লৈ লেখা প্ৰেৰণ কৰিছিল৷ প্ৰয়োজনত পুৱাই বাতৰিৰ টোপোলা দিবলৈ যোৱা গাড়ীত লেখনিসমূহ প্ৰেৰণ কৰিছিল৷ স্তম্ভ তথা নিবন্ধসমূহে ৰাজ্যখনৰ লোকক জাগ্ৰত কৰিছিল৷ ডেকা বয়সৰ পৰাই অসমীয়া জাতিটোৰ উত্থান, জাতিটো সাহিত্য-সংস্কৃতিৰে চহকী হোৱাটো কাম কৰিছিল৷ জাতিৰ অস্তিত্বৰ সংকটত পৰিলে হায়ে-বিয়ৈ কৰিছিল৷ ক'বলৈ গ'লে অসমত জাতীয়তাবাদৰ প্ৰতিভূ আছিল অৰুণ গোস্বামী৷ আশীৰ দশকৰ পৰাই অসমীয়া জাতিৰ স্বাৰ্থত হাতত কলম তুলি লোৱাসকলৰ ভিতৰত এজন আছিল অৰুণ গোস্বামী৷ অসমীয়া জাতিক বিপদৰ কথা উনুকিয়াই আহিছিল৷ জাতিৰ সংকট যে নিশ্চিত আছিল সেই কথা সকীয়াই গৈছিল বাতৰিৰ পৃষ্ঠাতাজাতিটোৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনক নতুন মাত্ৰা প্ৰদান সদৌ অসম ছাত্ৰ সন্থাক বহু সমালোচনা কৰিছিল৷ কেৱল ছাত্ৰ সন্থাকে নহয়, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকনক টাৰ্গেট কৰি লৈছিল৷ হিতেশ্বৰ শইকীয়া, তৰুণ গগৈ, সৰ্বানন্দ সোণোৱালক দিল্লীৰ নিৰ্দেশত কাম কৰাৰ বাবে সমালোচনা কৰিছিল৷ আলফাৰ সশস্ত্ৰ বিদ্ৰোহীৰ কাম কাজক ক্ষুৰধাৰ সমালোচনা কৰিছিল৷ বিভিন্ন সময়ত গালি-গালাজ খাবলগীয়া হৈছিল৷ নানা বাধা-বিঘিনিৰ পাছতো ৰৈ থকা নাছিল৷ অসমীয়া ভাষা, সংস্কৃতিৰ খহনীয়া দেখি ইছাট-বিছাট কৰিছিল৷ কলমটোকে হাথিয়াৰ হিচাপে লৈ জাতিক জগাবলৈ প্ৰয়াস কৰিছিল৷ বহু সময়ত লাঞ্চিত হ'বলগীয়া হৈ গোস্বামীয়ে ধৰ্মীয় কট্টৰতাক সমালোচনা কৰিছিল৷ বিজ্ঞানমনস্ক মনৰ মানুহ হিচাপে সমাজ সংস্কাৰৰ বাৰ্তা দিছিল৷ অন্ধবিশ্বাস, কু-সংস্কাৰৰ বিৰুদ্ধে সৰৱ আছিল৷ সেয়েহে এই পৃথিৱীৰ পৰা বিদায় লৈও আন উপকাৰ কৰি গ'ল৷ দেহদান কৰি চিকিৎসা বিজ্ঞানক ব্যৱহাৰৰ বাবে অৰ্পণ কৰি গ'ল৷

## কংগ্ৰেছৰ সুৰুজ দিহিঙীয়াই এৰিলে কংগ্ৰেছৰ সকলো দায়িত্ব

# টিকট নাপায় কংগ্ৰেছৰ দ্বিতীয়গৰাকী নেতাৰ দলত্যাগ

**ই-সংবাদ, ১৩ মাৰ্চঃ** টিকট নাপায় কংগ্ৰেছ দল এৰিলে আন এগৰাকী নেতাই৷ নেতাগৰাকী হৈছে কংগ্ৰেছৰ সুৰজ দিহিঙীয়া৷ প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হৈ আছিল সুৰুয দিহিঙীয়া। এদিন পূৰ্বে কংগ্ৰেছে অসমৰ ১২ সমষ্টিৰ দলীয় প্ৰাৰ্থী ঘোষণা কৰিছিল৷ তাৰ পাছতে সুৰজ দিহিঙিয়াই কংগ্ৰেছ দল এৰাৰ ঘোষণা কৰে৷ জানিব পৰা মতে, সুৰজ দিহিঙীয়াই যোৰহাট সমষ্টিত টিকট বিচাৰিছিল৷ জানিব পৰা মতে, কংগ্ৰেছ ত্যাগ কৰি হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি বিজেপিত যোগদান কৰে। কংগ্ৰেছ দলে যোৰহাট সমষ্টিত টিকট নিদিয়াত দল এৰাৰ সিদ্ধান্ত লয় দিহিঙীয়াই। ইয়াৰ পূৰ্বে গুৱাহাটী সমষ্টিত টিকট নাপায় প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি দ্বিজেন শৰ্মাই পদত্যাগ কৰিছে৷।

# ধৈৰ্য্য কোঁৱৰ, বিদ্যুৎ শইকীয়া, শৃংখল চলিহা, সৌৰভ বৰাক আটক

## ফেচবুকত নতুনকৈ পোষ্ট নিদিবলৈ ধমক

**ই-সংবাদ, ১৩ মাৰ্চঃ** ‘কা’ বিৰোধী আন্দোলন আৰম্ভ হোৱাৰ পাছৰে পৰা ৰাইজৰ দল, কৃষক মুক্তি, ছাত্ৰ মুক্তি, বীৰ লাচিত সেনা, জাতীয় যুৱ বাহিনীৰ নেতাক হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন হৈছে৷ বিভিন্ন আৰক্ষী থানালৈ মাতি নিয়াৰ অভিযোগ উত্থাপন হৈছে৷ আৰক্ষী থানাত বহুৱাই ৰাখি মোবাইল জব্দ কৰাৰ লগতে মানসিকভাৱে হাৰাশাস্তি কৰাৰ অভিযোগ উঠিছে৷ আজি পুৱাই আমগুৰিৰ পৰা জাতীয় যুৱ বাহিনীৰ কাৰ্যকৰী সভাপতি সৌৰভ বৰাক আমগুৰি আৰক্ষীয়ে আটক কৰিছিল। কেইবা ঘণ্টা ধৰি কি কাৰণত সৌৰভ বৰাক আটক কৰা হয় সেই কথা পৰিয়ালক অৱগত কৰা নাছিল৷ পাছত আৰক্ষী থানাত বহুৱাই ৰখা বুলি অৱগত হয় পৰিয়াল৷ পাছত ৰাইজৰ দলৰ একাংশ নেতাৰ উপস্থিত হোৱাত কেইবা ঘণ্টাৰ অন্তত সৌৰভ বৰাক আৰক্ষীয়ে মুকলি কৰি দিয়া বুলি জানিব পৰা গৈছে৷ সৌৰভ বৰাক মুক্তি দিবলৈ দাবী জনাইছিল বিভিন্ন পক্ষই। আৰক্ষীয়ে বল প্ৰয়োগ কৰি প্ৰতিবাদ দমন কৰিব বিচৰা কাৰ্যক তীব্ৰ গৰিহণা দিছে বিভিন্ন পক্ষই৷ আনহাতে, ৰাইজৰ দলৰ সাধাৰণ সম্পাদক ধৈৰ্য্য কোঁৱৰ, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া আৰু বীৰ লাচিত সেনাৰ মুখ্য সাংগঠনিক সম্পাদক শৃংখল চলিহাক শিৱসাগৰ আৰক্ষীয়ে আটক কৰে৷ প্ৰতিবাদ কৰি থকাৰ সময়তে তিনি নেতাক আটক কৰি আৰক্ষী থানাত বহুৱাই ৰখা বুলি জানিব পৰা যায়৷ ইপিনে জাতীয় যুৱ বাহিনীৰ সভাপতি লক্ষ্যজ্যোতি গগৈক আৰক্ষী থানালৈ মাতি নি মোবাইল জব্দ কৰে আৰক্ষীয়ে৷ আজি পুৱা ১০.০০ বজাত ডিগবৈ আৰক্ষীয়ে ফোন কৰি মাতি নিয়ে লক্ষ্যজ্যোতি গগৈক। ১১ বজাত ডিগবৈ থানাত হাজিৰ হোৱাত মাৰ্ঘেৰিটা মহকুমা আৰক্ষী বিষয়া আৰু ডিগবৈ আৰক্ষী থানাৰ পৰিদৰ্শে প্ৰতিবাদ নকৰিবলৈ কঠোৰভাৱে সকীয়াই দিয়ে৷ লক্ষ্যজ্যোতি গগৈয়ে ফেচবুকত দিয়া এটা পোষ্টত কয় যে আৰক্ষীয়ে মোক নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে আন্দোলন নকৰিবলৈ আৰু ফেচবুকত নিলিখিবলৈ নিৰ্দেশ দিয়ে। মই মোৰ বাক স্বাধীনতা আৰু গণতান্ত্ৰিকভাৱে আন্দোলন কৰাৰ অধিকাৰৰ কথা ক’লো। তেতিয়া তেওঁলোকে মোৰ বিৰুদ্ধে আইটি এক্টৰ অধীনত গোচৰ ৰুজু কৰাৰ কথা ক’লে। মই কলো আপোনালোকে নিজৰ কৰ্তব্য পালন কৰাত বাধা প্ৰদান কৰিব নোৱাৰো। তাৰ পিছত মোক ক’লে আপুনি আজি শিৱসাগৰলৈ যাব নালাগে। মই কলো কিয় নাযাম? আপুনি সেয়া কেনেকৈ বাধা দিব? তেতিয়া ক’লে আপুনি দিয়া কেইটামান ফেচবুক পোষ্টৰ ভিত্তিত জিডিই হৈছে, তাৰ সোধা পোছাৰ বাবে আপুনি থানাত ৰব লাগিব। মই কলো আমি সদায় আইন আদালতক সন্মান কৰা মানুহ। গতিকে আপোনাৰ তদন্ত প্ৰক্ৰিয়াত নিশ্চয় সহায় কৰিম। তাৰ পিছত মোৰ ফোনটো তেওঁলোকে লৈ ল’লে আৰু প্ৰায় ৩.৩০ বজালৈকে থানাত বহুৱাই থলে। তাৰ পিছত পুনৰ ৭ বজাত আহিবলৈ কৈ মোক যাবলৈ দিলে। তেওঁলোকৰ নিৰ্দেশ মতে মই পুনৰ ৭ বজাত থানাত হাজিৰ হওঁ। কিন্তু থানাত আৰক্ষী বিষয়াজন নাছিল, তেওঁলৈ ফোন কৰাত তেওঁ পুনৰ কাইলৈ আহিবলৈ নিৰ্দেশ দিছে।

## নতুন দিল্লীৰ পৰা ভাৰ্চুৱেলী প্ৰধানমন্ত্ৰীয়ে কৰিলে উদ্বোধন

# মৰিগাঁৱত ভাৰ্চুৱেলী পি.এম সূৰজ পৰ্টেল মুকলি প্ৰধানমন্ত্ৰীৰ




**ই-সংবাদ, লাহৰীঘাট, ১৩ মাৰ্চঃ** মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ পৰা ভাৰ্চুৱেলী প্ৰধানমন্ত্ৰী সূৰজ আঁচনিৰ অধীনত পি.এম সূৰজ পৰ্টেৰ মুকলি অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। পুথিভঁৰাল প্ৰেক্ষাগৃহৰ অনুষ্ঠানত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে কয় যে যেতিয়ালৈকে দুখীয়া শ্ৰেণীৰ লোকসকল উপকৃত নহয়, তেতিয়ালৈকে দেশৰ উন্নতি সম্ভৱ নহয়। এই কথা অনুধাৱন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাজৰ দৰিদ্ৰ আৰু বঞ্চিত লোকসকলৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। মহিলাসকল যাতে আত্মনিৰ্ভৰ হ'ব পাৰে সেয়া সুনিশ্চিত কৰিবলৈ চৰকাৰে লাখপতি বাইদেউ আঁচনি গ্ৰহণ কৰিছে। মহিলা সবল হ'লেহে দেশ সবল হ'ব৷ বিধায়ক ৰমাকান্ত দেউৰীয়ে আৰু কয় যে আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত ৫ লাখ টকা পৰ্যন্ত স্বাস্থ্য বীমা আঁচনি গ্ৰহণ কৰা হৈছে। আয়ুষ্মান ভাৰত আঁচনি সন্দৰ্ভত সজাগতাৰ অভাৱৰ বিষয়টো উনুকিয়াই তেওঁ সকলোকে সজাগ হৈ এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত দিয়া আদৰণি ভাষণত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কয় যে সমাজৰ বঞ্চিতসকলক সবল কৰিব নোৱাৰিলে সবলীকৰণৰ ধাৰণাটোক বাস্তৱ ৰূপ দিব পৰা নাযাব। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সমাজৰ বঞ্চিত লোকসকলৰ সবলীকৰণৰ বাবে যি আন্তৰিক প্ৰয়াস কৰিছে তাৰ দ্বাৰা প্ৰতিগৰাকী লোক উপকৃত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত আৰক্ষী অধীক্ষক হেমন্ত কুমাৰদাসে সমাজক সুস্থ আৰু সবল কৰিবলৈ বাল্য বিবাহৰ দৰে ব্যাধিৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিব লাগিব বুলি মন্তব্য কৰে। এনে অপৰাধ দৃষ্টিগোচৰ হ'লে শীঘ্ৰে আৰক্ষীক অৱগত কৰিবলৈ তেওঁ ৰাইজৰ প্ৰতি আহ্বান জনায়। আজিৰ অনুষ্ঠানত ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণী বিত্ত আৰু উন্নয়ন নিগমৰ অধীনত মৰিগাঁও জিলাৰ দুগৰাকী আৰু দৰং জিলাৰ চাৰিগৰাকী ব্যক্তিক ১ লাখ টকা পৰ্য্যন্ত ঋণৰ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানতে নমস্তে আঁচনিৰ অধীনত মৰিগাঁও আৰু দৰং জিলাৰ তিনিগৰাকীকৈ চেপটিক টেংক কৰ্মীক আয়ুস্মান কাৰ্ড আৰু পি পি ই কিট প্ৰদান কৰা হয়। উল্লেখ্য যে পি এম সূৰজ আঁচনিৰ অধীনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুকলি কৰা পি এম সূৰজ পৰ্টেলৰ জৰিয়তে সমাজৰ বঞ্চিত আৰু পিছপৰা শ্ৰেণীৰ লোকসকলে স্ব-নিয়োজনৰ বাবে অনলাইন ব্যৱস্থাৰে ঋণৰ বাবে আবেদন কৰিব পাৰিব। আজিৰ অনুষ্ঠানত ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ সঞ্চালক থামচিন থাং, মৰিগাঁও পৌৰ সভাৰ পৌৰ পতি যোগেশ তামুলী, অতিৰিক্ত জিলা আয়ুক্তদ্বয় দ্যুতিভা বৰা আৰু ডঃ সংগীতা বৰঠাকুৰ, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, মৰিগাঁও পৌৰ সভাৰ বিষয়া-কৰ্মচাৰী, চাফাই কৰ্মী, সমাজৰ বঞ্চিত আৰু পিছপৰা শ্ৰেণীৰ ভালেসংখ্যক লোক উপস্থিত আছিল।

# জালুকবাৰী সমষ্টিৰ উত্তৰ গুৱাহাটীত খোৱাপানীৰ অভাৱ

**ই-সংবাদ, চাংসাৰি, ১৩ মাৰ্চঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সমষ্টি জালুকবাৰীৰ এটা এলেকাত উন্নয়নৰ নামত পয়ালগা ছবি দেখা গৈছে৷ বিজেপিয়ে উন্নয়নৰ ঢাক ঢোল বজাই থকাৰ সময়তে উত্তৰ গুৱাহাটীৰ পুতৌ লগা ছবিয়ে নাগৰিকক চিন্তিত কৰিছে। কংগ্ৰেছৰ শাসনকালত আৰু এতিয়াৰ বিজেপিৰ ৭ বছৰীয়া শাসনকালত খোৱা পানী টুপিও লাভ নকৰিলৈ উত্তৰ গুৱাহাটীৰ বহু এলেকাৰ ৰাইজে। মুখ্যমন্ত্ৰীৰ সমষ্টিৰ উত্তৰ গুৱাহাটীত জাইকাৰ পানী যোগান প্ৰকল্পই আজিলৈ পানী দিব নোৱাৰিলে৷ দুটা দশকত জাইকাৰ পানীৰ পাইপ বহুৱাৰ নামত পথৰ ক্ষতিসাধনকৰাৰ বাহিৰে আন একো হোৱা নাই। দমকল, কুঁৱা, নিজৰাৰ পানী সেঁৱন কৰিবলগীয়া হৈছে নাগৰিকে৷ আনহাতে, খৰালিকালত নৈৰ পানী শুকাই আহে৷ দিন হাজিৰা কৰা লোকে দৈনিক পানী ক্ৰয় কৰিব লগীয়া হৈছে। খোৱাপানীৰ দীৰ্ঘদিনীয়া অভাৱ জণ্ডিছজনিত ৰোগত বিগত বৰ্ষত দহ গৰাকী লোকৰ কৰুণ মৃত্যু হৈছিল৷ খোদ মুখ্যমন্ত্ৰী উপস্থিত হৈ পৰ্যাপ্ত পানী যোগানৰ আশ্বাস দিছিল যদিও সেয়া যেন ফুটুকাৰ ফেন হৈ পৰিল। উত্তৰ গুৱাহাটীত এতিয়া বিশুদ্ধ খোৱাপানীৰ অভাৱত ধুৰলী কুঁৰলী দেখিছে সৰ্বসাধাৰণ লোকে।শ্ৰমিক, দিন মজদুৰ লোকে খাদ্যৰ পৰিমাণ কমাই পানী ক্ৰয় কৰিবলগীয়া হৈছে। জলজীৱন আঁচনিৰ পানীয়ে বহু অঞ্চলক সামৰি লব পৰা নাই। তদুপৰি কৃত্ৰিম বানে বহু বছৰৰ পৰা উত্তৰ গুৱাহাটীবাসীক জ্বলা-কলা খুৱাই আহিছে। বানৰ কৰলত গছ গছনি নোহোৱা হৈছে। বহাগৰ পাছৰে পৰা বাটপথ পানীত ডুবি থাকে। কৃত্ৰিম বানত ডুব গৈ দুজন লোকৰ প্ৰাণ গৈছে। বাৰিষাৰ পুৰ্বে উত্তৰ গুৱাহাটীৰ নগৰৰ পানী ওলাই যোৱাৰ ব্যৱস্থা নললে আগন্তুক দিনত সমগ্ৰ উত্তৰ গুৱাহাটী পানীত ডুব যোৱাটো নিশ্চিত। গা এৰা মনোভাৱ লোৱা উত্তৰ গুৱাহাটী পৌৰসভাক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰাইজে।

# খটখটীত ৫৮ লাখ টকাৰ হেৰ'ইন উদ্ধাৰ

**ই-সংবাদ, বোকাজান, ১৩ মাৰ্চঃ** অসম-নাগালেণ্ড সীমান্তৱৰ্তী খটখটী চানডে বজাৰত আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ হেৰ'ইনসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মণিপুৰৰ লাথাৰা (৪৩) নামৰ লোকজনৰ ঘৰৰ শোৱনি কোঠাত তালাচী চলাই ২৫টা চাবোনৰ বাকচত লুকুৱাই ৰখা ২৯৪.৯২ গ্ৰাম হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত হেৰ'ইনৰ মূল্য ৫৮ লাখ টকা বুলি জানিব পৰা গৈছে৷ খটখটী আৰক্ষী থানাৰ অন্তৰ্গত চানডে বজাৰত অবৈধ ড্ৰাগছৰ ব্যৱসায় চলি থকাৰ নিশ্চিত তথ্য লাভ কৰি উপ-পৰিদৰ্শক ৰমেন বৰদলৈ আৰু চিআৰপিএফৰ ২০নং বেটেলিয়নৰ সহকাৰী কমাণ্ডেণ্ট ৰবি গীলৰ নেতৃত্বত আৰক্ষী আৰু চিআৰপিএফ বাহিনীয়ে লাহৰীজান চানডে বজাৰত অভিযান চলায়। অভিযানত আৰক্ষীয়ে মণিপুৰৰ লাথাৰাক গ্ৰেপ্তাৰ কৰাৰ লগতে ২৯৪.৯২ গ্ৰাম হেৰ'ইন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে, জব্দ হোৱা হেৰ'ইনখিনিৰ আন্তঃৰাষ্ট্ৰীয় বজাৰমূল্য কমেও প্ৰায় ৫৮ লাখ টকা বুলি আৰক্ষী সূত্ৰে প্ৰকাশ।

# নাবালিকা ধৰ্ষণকাৰী ৬৫ বছৰীয়া নৌচাদ আলীক যাৱজ্জীৱন কাৰাদণ্ড

**ই-সংবাদ, মৰিগাওঁ, ১৩ মাৰ্চঃ** মৰিগাঁও পক'চ আদালতে এক ঐতিহাসিক ৰায় প্ৰদান কৰি নাবালিকা ধৰ্ষণকাৰীক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে৷ ২০১৭ চনৰ পৰা চলি থকাৰ গোচৰৰ ৰায় প্ৰদান কৰি অভিযুক্তজনক দোষী সাব্যস্ত কৰি শাস্তিৰ ৰায় দিয়ে৷ মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত বৰচকাবাহা গাঁৱৰ নৌচাদ আলীক (৬৫)দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ ৰায় দিয়ে৷ নৌচাদ আলী নামৰ লম্পটে পাঁচ বছৰ পূৰ্বে একে গাঁৱৰে এগৰাকী নাবালিকাক ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপন হৈছিল৷ পৰিয়ালৰ এজাহাৰৰ ভিত্তিত আলীক গ্ৰেপ্তাৰ কৰি মিকিৰভেটা আৰক্ষীয়ে গোচৰ ৰুজু কৰিছিল৷ থানাখনত ৰুজু হোৱা ৩৮৭/২০১৭ নম্বৰৰ গোচৰ ক্ষীপ্ৰতাৰে তদন্ত কৰি মিকিৰভেটা আৰক্ষীথানাৰ উপ-পৰিদৰ্শক মদন চন্দ্ৰ কলিতাই আদালতত অভিযোগনামা দাখিল কৰে। অভিযোগনামাৰ ভিত্তিত অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'চ আদালতৰ বিশেষ ন্যায়াধীশে পক'চ আইনৰ ৬ ধাৰাত দোষী সাব্যস্ত কৰি নাবালিকা ধৰ্ষণকাৰী নৌচাদ আলীক যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। নাবালিকা ধৰ্ষণকাৰীক মৰিগাঁও পক'চ আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাত পৰিয়ালটোৱে ন্যায় লাভ কৰে৷

# বাংলাদেশৰ ৩৯লাখ হিন্দু অসমত প্ৰৱেশৰ সন্দেহ ৰাইজৰ দলৰ




**ই-সংবাদ, ১৩ মাৰ্চঃ** বাংলাদেশৰ পৰা প্ৰায় ৩৯ লাখ হিন্দু নাগৰিক নিৰুদ্দেশ হোৱাৰ এক খবৰে ব্যাপক চৰ্চা লাভ কৰিছে৷ অসমৰ এটা সংবাদ প্ৰতিষ্ঠানে প্ৰকাশ কৰা এই বাতৰিক লৈ ৰাজ্যৰ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে৷ 'কা'ৰ বিধি বলৱৎ হোৱাৰ পাছতে এই খবৰ প্ৰকাশ পোৱাত অসমৰ ৰাইজ শংকিত হৈছে৷ আজি ৩৯ লাখ বাংলাদেশৰ নাগৰিকে ভাৰতলৈ আহবলৈ সাজু হৈছে নেকি বুলি ব্যাপক চৰ্চা হৈছে৷ ইয়াকে লৈ আজি ৰাইজৰ দলে গুৱাহাটীত এখন সংবাদ মেল সম্বোধন কৰে কেইবাটাও প্ৰশ্ন উত্থাপন কৰে৷ ৰাইজৰ দলৰ নেতা ৰাছেল হুছেইন আৰু চিন্ময় বড়াই সংবাদ মেল সম্বোধন কৰি 'কা' জাপি দি চিৰদিনৰ বাবে অসমীয়াৰ হাতৰ পৰা অৰ্থনৈতিক, ৰাজনৈতিক অধিকাৰ কাঢ়ি নি সামাজিক, সাংস্কৃতিক, ভাষিক ভাৱে দুৰ্বল কৰিব খোজাৰ অভিযোগ উত্থাপন কৰে৷ চিন্ময় বড়াই বিজেপি দলক আক্ৰমণ কৰি কয় যে বদন বৰফুকনে মান আনি অসমৰ নিঃশেষ কৰিব খুজিছিল৷ বিজেপি চৰকাৰে 'কা' আইন আনি অসমীয়া জাতিক নিঃশেষ কৰাৰ ষড়যন্ত্ৰ চলাইছে। বাংলাদেশৰ লোকপিয়লত ২০১৬ চনৰ পৰা ২০২২ চনৰ ভিতৰত ৩৯ লাখ হিন্দু বাংলাদেশী অন্তৰ্ধান হোৱাৰ ভয়াবহ তথ্য সংবাদ মাধ্যমত প্ৰকাশ পাইছে৷ যদি ৩৯ লাখ অন্তৰ্ধান হৈছে তেন্তে অসমৰ থলুৱা লোকৰ ভৱিষ্যত কি হ'ব বুলি প্ৰশ্ন কৰে৷ নাগৰিকত্ব সংশোধনী বিধেয়ক তথা 'কেব' সংসদত উত্থাপনৰ সময়তে ভয়াবহ তথ্য প্ৰকাশ পাইছে৷ বাংলদেশৰ ব্যুৰ অৱ ষ্টেটিছটিকচৰ তথ্য অনুসৰি ২০১৫ চনৰ ডিচেম্বৰত বাংলাদেশত হিন্দুৰ জনসংখ্যা বৃদ্ধি পাইছিল ১ কোটি ৭০ লাখ।।কিন্তু নৰেন্দ্ৰ মোদী চৰকাৰে কেব উত্থাপনৰ পাছত দেশখনত হিন্দু জনসংখ্যা হ্ৰাস পায় ২০২২ চনৰ লোকপিয়লত ১ কোটি ৩১ লাখলৈ হ্ৰাস পায় হিন্দুৰ জনসংখ্যা। সৰহ সংখ্যক বাংলাদেশী নিশ্চয়কৈ অসমলৈ আহিছে৷ এইসকল লোকক নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৯ৰ জৰিয়তে ভাৰতৰ স্থায়ী নাগৰিকত্ব লাভ কৰিব বুলিও প্ৰশ্ন কৰে ৰাছেলে। ২০১৪ চনত মোদীয়ে ১৬ মে'ৰ পাছত বাংলাদেশীয়ে টালি-টোপোলা বান্ধিব লাগিব বুলি কৈছিল। কিন্তু আজি অসমত লাখ লাখ বাংলাদেশীৰ অতিৰিক্ত বোজা ল'বলৈহে বাধ্য কৰা হৈছে। ৮৫৫ জন শ্বহীদৰ বিনিময়ত অসম চুক্তি হৈছিল৷ ২০ বছৰৰ অতিৰিক্ত বিদেশীৰ বোজা গ্ৰহণ কৰিছে অসমে। এতিয়া পুনৰ ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈ বিদেশীৰ বোজা অসমে কেতিয়াও মানি নলয় বুলি কয় ৰাছেল হুছেইন আৰু চিন্ময় বড়াই৷



**'কা'ৰ বিধিৰ স্থগিতাদেশ বিচাৰি উচ্চতম ন্যায়ালয়ত আৰ্জি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ**

# শেষ পৃষ্ঠা

## ৰঞ্জি ফাইনেল


# জয়ৰ দিশত মুম্বাই

**মুম্বাই, ১৩ মাৰ্চঃ** জয়ৰ বাবে ৫৩৮ ৰানৰ বৃহৎ লক্ষ্য আগতলৈ চতুৰ্থ দিনৰ অন্তত মুম্বাইৰ বিৰুদ্ধে পাঁচ উইকেট হেৰুৱাই ২৪৮ ৰান সংগ্ৰহ কৰিছে বিদৰ্ভে। হাতত পাঁচটা উইকেট থকা অৱস্থাত অন্তিম দিনা বিদৰ্ভক জয়ৰ বাবে ২৯০ ৰানৰ প্ৰয়োজন। মুম্বাইৰ শক্তিশালী বলিং আক্ৰমণৰ সন্মুখত সেয়া দলটোৰ বাবে সম্ভৱ নহ'ব। এক কথাত ৪২ সংখ্যক ৰঞ্জি ট্ৰফী জয়ত বিদৰ্ভে মুম্বাইক বাধা দিব নোৱাতো প্ৰায় খাটাং। বিদৰ্ভৰ কৰুণ নায়াৰে ৭৪ ৰান কৰাৰ লগতে অক্ষয় ৱাডেকাৰে ৫৬ ৰান কৰি বেটিং কৰি আছে। অন্তিম দিনা বিদৰ্ভে কিদৰে বেটিং কৰে সেয়া লক্ষণীয় হ'ব।

# দুটা ৰূপ নাৰৱালৰ



**নতুন দিল্লী, ১৩ মাৰ্চঃ** পেৰা শ্বুটিং বিশ্বকাপত ভাৰতৰ মনিষ নাৰৱালে দুটাকৈ ৰূপৰ পদক জয় কৰিছে। তেওঁ দহ মিটাৰ এয়াৰ পিষ্টলৰ ব্যক্তিগত আৰু দলীয় শাখাত জয় কৰিছে এই পদক দুটা। দলীয় শাখাত তেওঁৰ সংগী আছিল ৰুদ্ৰেন্স খাণ্ডেলৱাল আৰু সঞ্জিৱ গিৰি।










newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান